# অসম আদিত্য

২৪ শাওণ, ১৯৪৬ শক ■ শুকুৰবাৰ, ৯ আগষ্ট, ২০২৪ ■ Asom Aditya, Dibrugarh, Friday, August 9, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী




### প্ৰদৰ্শনী দ্বাৰ মুকলি কৰে অধ্যাপক পৰমানন্দ মহন্তই

## মহাকাশ গৱেষণাও হ'ব পাৰে এক সুন্দৰ কেৰিয়াৰ ঃ উপাচাৰ্য ড° হাজৰিকা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ আগষ্ট ঃ** কানৈ মহাবিদ্যালয়ে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰ')ৰ সহযোগত ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ দৰে গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰি অসমত এক ব্যতিক্ৰমী চিন্তাৰ বাট মুকলি কৰিলে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই ঐতিহ্যপূৰ্ণ ডিএইচএছ কানৈ মহাবিদ্যালয়ত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰ')ৰ উদ্যোগত অনুষ্ঠিত 'ৰাষ্ট্ৰীয় মহাকাশ দিৱস-২০২৪'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আজি এইদৰে কয়। কানৈ মহাবিদ্যালয়ে বহুত ভাল কাম কৰি থকা বুলি উল্লেখ কৰি এনে ৯ পৃষ্ঠাত

## অকলে খেলিলে আত্মবিশ্বাস বাঢ়িব ঃ ব



**প্ৰতিবেদক, খুমটাই, ৮ আগষ্ট ঃ** উচ্চশিক্ষাত শিক্ষাৰ্থীৰ নামভৰ্তি বৃদ্ধি কৰা, ৰাজ্যখনত অধিক ছাত্ৰীৰ বাবে উচ্চশিক্ষা লাভৰ বাট প্ৰশস্ত কৰা

